# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-09-2025
**Time :** 0900 Hrs.

## *Assamese Morning Bulletin*
## HEADLINES

১। দেশৰ ভূমিত অনুপ্ৰৱেশকাৰীৰ আগ্ৰাসন কোনো কাৰণতে সহ্য কৰা নহ'ব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃঢ় মন্তব্য।

২। নুমলীগড়ৰ বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্পই অসমৰ ৫০ হাজাৰ বাঁহ খেতিয়কক আৰ্থিকভাৱে সবল কৰি তুলিব বুলি প্ৰধানমন্ত্ৰীৰ আশা প্ৰকাশ।

৩। বি টি চি নিৰ্বাচনৰ বাবে বি টি আৰত শাসক-বিৰোধীৰ প্ৰচাৰ অভিযান তীব্ৰতৰ। চিৰাঙত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ।

৪। সেৱা সপ্তাহ উপলক্ষ্যে ৰাজ্যৰ ২০ হাজাৰ বিদ্যালয়ৰ প্ৰতিখনতে ৭৫টা গছপুলি ৰোপণৰ বাবে চৰকাৰৰ লক্ষ্য নিৰ্ধাৰণ।

*আৰু*

৫। এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত কালি নিশা ডুবাইত ভাৰতৰ হাতত পাকিস্তান ৭ উইকেটত পৰাস্ত।

০০০০০০০

দেশৰ ভূমিত অনুপ্ৰৱেশকাৰীৰ আগ্ৰাসন কোনো কাৰণতে সহ্য কৰা নহ'ব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দৃঢ়তাৰে ঘোষণা কৰিছে। দৰং জিলাৰ মঙলদৈত কালি জনসভাত অংশ লৈ প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে অনুপ্ৰৱেশকাৰীৰ কবলৰ পৰা দেশক মুক্ত কৰাৰ বাবে বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰ সংকল্পবদ্ধ। তেওঁ লগতে দেশৰ সম্পদ আৰু জনসাধাৰণৰ অধিকাৰৰ ওপৰত অনুপ্ৰৱেশকাৰীৰ প্ৰভুত্ব কেতিয়াও মানি লোৱা নহয় বুলি মন্তব্য কৰে। শ্ৰীমোদীয়ে ভকেল ফৰ লোকেলৰ বাবে আহ্বান জনাই গামোচাৰ প্ৰসংগ উত্থাপন কৰে। তেওঁ সকলোকে স্বদেশত নিৰ্মিত সামগ্ৰী ক্ৰয় আৰু উপহাৰ দিবলৈ আহ্বান জনায়। তেওঁ ভাৰত সম্প্ৰতি বিশ্বৰ দ্ৰুত বিকশিত অৰ্থনীতিত পৰিণত হৈছে বুলি উল্লেখ কৰি অসমকো দেশৰ অন্যতম দ্ৰুত বিকশিত ৰাজ্য বুলি অভিহিত কৰে। তেওঁ কয়, যে বিগত ১১ বছৰত ৰাজ্যত এখন কৰ্কট চিকিৎসালয় আৰু ২৪ খন নতুন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা হৈছে। অহা ৫ বছৰত দেশত এক লাখ নতুন চিকিৎসকক সাজু কৰি তোলা হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে লগতে প্ৰকাশ কৰে।

*বাইট (পি এম)*

শ্ৰীমোদীয়ে কালি মঙলদৈত ৬ হাজাৰ ৩০০ কোটি টকা ব্যয়সাপেক্ষে তিনিটা বিশেষ আন্তঃগাঁথনিমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

প্ৰধানমন্ত্ৰীগৰাকীয়ে কালি গোলাঘাট জিলাৰ নুমলীগড়ৰ শোধনাগাৰত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰে। তেওঁ কয়, যে প্ৰকল্পই অসমৰ ৫০ হাজাৰ বাঁহ খেতিয়কক আৰ্থিকভাৱে সবল কৰি তোলাৰ লগতে বহনক্ষম উন্নয়নৰ পথ মুকলি কৰিব। তেওঁ কয়, যে ৫ হাজাৰ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা এই প্ৰকল্পই অসম তথা দেশৰ ঔদ্যোগিক ক্ষেত্ৰখনক নতুন গতি প্ৰদান কৰিব। শ্ৰীমোদীয়ে কালি নুমলীগড় শোধনাগাৰৰ নতুন পলিপ্ৰপিলিন গোটটোৰো আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পত উৎপাদিত প্লাষ্টিক আৰু অন্যান্য জৈৱ সামগ্ৰীসমূহে দেশৰ উদ্যোগ ক্ষেত্ৰখনক সমৃদ্ধ কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। শ্ৰীমোদীয়ে কয়, যে ভাৰতে শক্তি খণ্ডত

আত্মনির্ভৰ হোৱাৰ দিশত অগ্ৰসৰ হৈছে আৰু বিদেশৰ পৰা আমদানি কৰা ইন্ধনৰ ওপৰত থকা নির্ভৰশীলতা হ্রাস কৰিছে।

অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে এই জৈৱ ইথানল প্ৰকল্পৰ বাবে বছৰি প্রায় ৫ লাখ টন বাঁহৰ বজাৰ গঢ় লৈ উঠিব। ইয়াৰ ফলত ৰাজ্যৰ প্রায় ৩০ হাজাৰ পৰিয়াল উপকৃত হ'ব।

০০০০০০

বিটিচি নির্বাচনলৈ মাজত মাত্র কেইটামান দিন বাকী থকা অৱস্থাত শাসক-বিৰোধী উভয় পক্ষই বিটিআৰত প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, ইউ পি পি এলৰ মুৰব্বী প্রমোদ বড়ো, বি পি এফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীকে ধৰি বিভিন্ন ৰাজনৈতিক দলৰ নেতৃত্বই নিজৰ নিজৰ দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। তৃণমূল কংগ্রেছৰ নেত্রী তথা সাংসদ সুস্মিতা দেৱে কালি চিৰাং জিলাৰ পদ্মপুৰত কাজলগাঁও পৰিষদীয় সমষ্টিৰ দলীয় প্ৰাৰ্থী জিতেন নাৰ্জাৰীৰ সমৰ্থনত প্ৰচাৰ সভাত অংশ লয়। শ্ৰীমতী দেৱে কংগ্ৰেছ দলক সমালোচনা কৰি কংগ্ৰেছে এই পৰিষদীয় নির্বাচনত বিজেপিক সহায় কৰিবলৈহে প্ৰাৰ্থী দিয়া বুলি অভিযোগ কৰে। বি পি এফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে খালিংদুৱাৰ পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থী বনজাৰ দৈমাৰীৰ সমৰ্থনত প্ৰচাৰ চলায়। শ্ৰীমহিলাৰীয়ে এখন বিশাল জনসভাক সম্বোধি কয়, যে ইউ পি পি এল দলৰ পূৰ্বৰ পাৰিষদ দিলীপ বড়োৱে বৃহত্তৰ খালিংদুৱাৰ সমষ্টিৰ জনসাধাৰণৰ মৌলিক সমস্যা সমাধানত গুৰুত্ব দিয়া নাছিল। তেওঁ লগতে ইউ পি পি এলৰ পাৰিষদগৰাকী বিভিন্ন জনগোষ্ঠীৰ সৈতে সুসম্পৰ্ক বজাই ৰখাত ব্যৰ্থ হোৱা বুলিও সমালোচনা কৰে। বিধায়ক দুৰ্গা দাস বড়ো, বি পি এফৰ জ্যেষ্ঠ নেত্রী কমলা বসুমতাৰীকে ধৰি কেইবাগৰাকী শীৰ্ষ নেতাই অংশগ্ৰহণ কৰা এই সভাত হাগ্ৰামা মহিলাৰীয়ে বি টি চি নির্বাচনত বি পি এফ দল একক সংখ্যাগৰিষ্ঠতাৰে জয়ী হ'ব বুলি দাবী কৰে।

ইপিনে, বি টি আৰৰ মুৰব্বী তথা ইউ পি পি এলৰ সভাপতি প্রমোদ বড়োৱে সাংসদ জয়ন্ত বসুমতাৰীৰ সৈতে কালি চৰাইবিল পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থী ৰাজু কুমাৰ নাৰ্জাৰীৰ সমৰ্থনত হাতীগড় আৰু গুৰুফেলাত বিশাল নির্বাচনী সভাত অংশ লয়। বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই কালি সন্ধিয়া থুৰিবাৰী সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী জমছেৰ আলীৰ সমৰ্থনত পুৰাণ বিজনীত প্ৰচাৰ চলায়। সভাত প্রাক্তন সাংসদ আব্দুল খালেক আৰু বিধায়ক প্ৰদীপ কুমাৰ সৰকাৰো উপস্থিত থাকে। মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শৰ্মাই আজি চিৰাঙত বিজেপি প্ৰাৰ্থীৰ হৈ নির্বাচনী প্ৰচাৰ চলাব। তেওঁ আজি জিলাখনৰ ১৪ নম্বৰ চিৰাং সমষ্টিৰ দলীয় প্ৰাৰ্থী সৌমথৌৰ ব্ৰহ্মৰ হৈ প্ৰচাৰ সভাত অংশগ্ৰহণ কৰাৰ লগতে ১৯ নম্বৰ থুৰিবাৰী পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থী তথা বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়ৰ হৈ উলুবাৰীত প্ৰচাৰ চলাব।

মুখ্যমন্ত্ৰীৰ প্ৰচাৰ সভাৰ পূৰ্বে কালি নিশা চিৰাঙত নির্বাচনী হিংসা সংঘটিত হোৱাৰ বাতৰি পোৱা গৈছে। চিৰাঙৰ নিছিমা পৰিষদীয়া সমষ্টিত কালি নিশা ইউ পি পি এলৰ কৰ্মী, সমৰ্থকে বি পি এফৰ ৩ খন গাড়ীত আক্রমণ কৰাৰ লগতে কেইবাজনো কৰ্মীক আক্রমণ কৰাৰ অভিযোগ উত্থাপন হৈছে। নিছিমা সমষ্টিৰ বৰ্তমানৰ পাৰিষদ তথা বি পি এফৰ প্ৰাৰ্থী জেমছ বসুমতাৰীয়ে শীঘ্ৰে দোষীক আটক কৰাৰ দাবী জনাইছে।

বাক্সা জিলাৰ নির্বাচনী প্ৰচাৰ সন্দৰ্ভত আমাৰ সংবাদদাতা দামোদৰ তালুকদাৰে এইদৰে জনাইছে—-

*-বাইট-*

০০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০১ দশমিক ৬ মেগাহাৰ্টজত শুনিছে। উজনি অসমৰ শ্ৰোতাসকলে মিডিয়াম ৱেভৰ ৫২৯ দশমিক ১ মিটাৰত আকাশবাণী ডিব্রুগড় কেন্দ্ৰৰ পৰা, এফ এম বেণ্ডৰ ১০৩ দশমিক ৪ মেগা হাৰ্টজত আকাশবাণী যোৰহাট কেন্দ্ৰৰ পৰা ১০১ দশমিক ৫ মেগা হাৰ্টজত লামডিং ৰিলে কেন্দ্ৰৰ পৰা আৰু ১০২ দশমিক ৪ মেগা হাৰ্টজত আকাশবাণী তেজপুৰ কেন্দ্ৰৰ পৰা শুনিবলৈ পাইছে।

এই বাতৰি আমাৰ **ফে’চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙৰ** লগতে নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ’ল’ কৰিব পাৰে।

০০০০০০০

বিদ্যালয় শিক্ষা বিভাগে সেৱা সপ্তাহ উপলক্ষে অহা ১৯ ছেপ্তেম্বৰত ৰাজ্যজুৰি হ’বলগীয়া গছপুলি ৰোপণ কাৰ্যসূচীত বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ অধ্যক্ষ আৰু সদস্যসকলকে ধৰি ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকসকলৰ অংশগ্ৰহণ বাধ্যতামূলক কৰি এটা নিৰ্দেশ জাৰি কৰিছে। অৱশ্যে ছমহীয়া পৰীক্ষা আৰম্ভ হোৱা বিদ্যালয়সমূহৰ শিক্ষাৰ্থীসকলৰ এই কাৰ্যসূচীত অংশগ্ৰহণ কৰাটো বাধ্যতামূলক নকৰিবলৈ শিক্ষা বিভাগে প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা সঞ্চালকক পত্ৰযোগে নিৰ্দেশ দিছে। নিৰ্দেশটোত বিদ্যালয় কৰ্তৃপক্ষই ৰোপণ কৰা গছপুলিৰ ফটো এই সম্পৰ্কীয় প’ৰ্টেলত আপলোড কৰিব লাগিব বুলি কোৱা হৈছে। তদুপৰি বিদ্যালয় কৰ্তৃপক্ষক গছপুলি ৰোপণ কাৰ্যসূচীত দিন হাজিৰাত কাম কৰা লোককো নিয়োজিত কৰিবলৈ নিৰ্দেশ জাৰি কৰা হৈছে। এই শ্ৰমিকসকলক বিদ্যালয়ৰ বছৰেকীয়া অনুদানৰ পৰা মজুৰি আদায়ৰ ব্যৱস্থা কৰা হ’ব। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিনৰ সৈতে সংগতি ৰাখি পৰহিলৈৰ পৰা ৭ দিনীয়াকৈ **সেৱাই সমৰ্পণ ঃ সেৱা সপ্তাহ** শীৰ্ষ কাৰ্যসূচীৰ আয়োজন কৰা হ’ব। এই কাৰ্যসূচীৰ অংশ হিচাপে ৰাজ্যৰ ২০ হাজাৰ শৈক্ষিক প্ৰতিষ্ঠানৰ প্ৰতিখনতে ৭৫টাকৈ গছপুলি ৰোপণৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে ভিডিঅ’ কনফাৰেঞ্চিং ব্যৱস্থাৰে ৰাজ্যৰ বিভিন্ন বিভাগৰ মন্ত্ৰী, বিধায়ক আৰু বিটিআৰৰ বাহিৰে অন্য জিলাৰ আয়ুক্তসকলৰ সৈতে সেৱা সপ্তাহৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰিছে। এই কাৰ্যসূচীৰ অধীনত বৃহৎ স্বাস্থ্য শিবিৰ, ৰক্তদান শিবিৰ মুকলি কৰাৰ লগতে মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনত ভূমি পট্টা বিতৰণ কাৰ্যসূচীও অনুষ্ঠিত কৰা হ’ব। ৰাজ্যজুৰি ৰূপায়ণ হ’বলগীয়া এই পদক্ষেপৰ সফলতা নিশ্চিত কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্ট বিভাগসমূহক নিৰ্দেশ দিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সেৱা আৰু সুশাসনৰ মন্ত্ৰৰে চৰকাৰে ৰূপান্তৰ আৰু প্ৰগতিৰ হকে বিৰামহীনভাৱে কাম কৰি আছে। স্বচ্ছ ভাৰত অভিযানৰ অধীনত নৰেন্দ্ৰ মোদী চৰকাৰে দেশৰ প্ৰতিগৰাকী নাগৰিকৰ জীৱনলৈ কিদৰে পৰিৱৰ্তন আনিলে সেই সন্দৰ্ভত **সেৱা পৰ্বৰ** এয়া আমাৰ বিশেষ প্ৰতিবেদন—

**ভইচ**

০০০০০০০

ৰাজ্যত কালি বিয়লি অনুভূত হোৱা ৫ দশমিক ৯ প্ৰাবল্যৰ ভূমিকম্পৰ ফলত বিভিন্ন স্থানত কিছু ক্ষয়ক্ষতি হোৱাৰ বাতৰি পোৱা গৈছে। ভূমিকম্পৰ ফলত ৰাজ্যৰ কেইবাটাও স্থানত দেৱাল আৰু মজিয়াত ফাঁট মেলা, ছিলিং খহি পৰাকে ধৰি বিভিন্ন ক্ষয়-ক্ষতি হয়।

ভূমিকম্পৰ আতংকৰ বাবে কালি হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ তেজপুৰত ৫০ বছৰীয়া এগৰাকী মহিলাৰ মৃত্যু হয়। য়াছমিন খানম নামৰ মহিলাগৰাকী ভীতিগ্ৰস্ত হৈ অচেতন হৈ পৰিছিল। ভূমিকম্পত নগাঁও চহৰৰ নুৰুল আমিন ইনড’ৰ ষ্টেডিয়ামৰ চিলিং ভাঙি পৰে বুলি আমাৰ সংবাদদাতাই জনাইছে। পশ্চিম কাৰ্বি আংলং আৰু হোজাই জিলাৰ সীমান্তৱৰ্তী লংজাঁপ বজাৰত ভূমিকম্পৰ ফলত এখন দোকান ভাঙি পৰে। অসম ভ্ৰমণ সামৰি উভতি যোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কলকাতাত উপস্থিত হৈ এই খবৰ পোৱা মাত্ৰেই ৰাজ্যখনৰ পৰিস্থিতিৰ বুজ লয়। তেওঁ প্ৰয়োজন সাপেক্ষে সকলো ধৰণৰ সহায় সহযোগিতাৰো আশ্বাস দিয়ে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ভূমিকম্পৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ পৰিমাণ মূল্যায়নৰ বাবে কাম কৰি থকা হৈছে বুলি প্ৰকাশ কৰিছে।

০০০০০০০

এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত কালি নিশা অনুষ্ঠিত গ্ৰুপ-এৰ এখন খেলত ভাৰতে পাকিস্তানক ৭ উইকেটত পৰাস্ত কৰে। ভাৰতে ১২৮ ৰানৰ লক্ষ্যৰে খেল আৰম্ভ কৰি ১৫ অভাৰ

৫টা বলত তিনিটা উইকেট হেৰুৱাই ১৩১ ৰান কৰে। অপেনাৰ অভিষেক শৰ্মাই ১৩টা বলত ৩১ ৰান কৰাৰ লগতে অধিনায়ক সূৰ্যকুমাৰ যাদৱে ৪৭ ৰান কৰি আউট নোহোৱাকৈ থাকে। ইয়াৰ পূৰ্বে পাকিস্তানে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয় আৰু নিৰ্ধাৰিত ২০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১২৭ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ কুলদীপ যাদৱে ৩টা, আৰু যশপ্ৰীত বুমৰাহ আৰু অক্ষৰ পেটেলে দুটাকৈ উইকেট লাভ কৰে। ভাৰত কাইলৈ হংকঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

0000000

কালি বিয়লি ৰাজ্যত প্ৰবল জোকাৰণি অনুভূত হোৱা ভূমিকম্প আৰু ইয়াৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে প্ৰকাশ কৰিছে।

নতুন দিল্লীত প্ৰতিদিন গোষ্ঠীৰ মিডিয়া কনক্লেভ উদ্বোধন কৰি আধ্যাত্মিক গুৰু শ্ৰীশ্ৰীৰবিশংকৰে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন দেশৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰে। এই বাতৰি অসমীয়া প্ৰতিদিন কাকতে প্ৰকাশ কৰিছে।

বায়' ইথানল প্ৰকল্পই ৰাজ্যত আশাৰ সঞ্চাৰ কৰিছে। বাঁহ খেতিৰে ৰাজ্যৰ অৰ্থনীতিত নতুন দিগন্তৰ সূচনা হ'ব বুলি দৈনিক অসম কাকতে বাতৰি প্ৰকাশ কৰিছে।

দৈনিক জনমভূমি কাকতত হিন্দী দিৱস উপলক্ষে কালি গৃহমন্ত্ৰী অমিত শ্বাহে হিন্দীৰে আন ভাৰতীয় ভাষাৰ সংঘাত নাই বুলি কৰা মন্তব্যৰে বাতৰি প্ৰকাশ হৈছে।

অনুপ্ৰৱেশকাৰীৰ মাধ্যমেৰে অসমকে ধৰি দেশৰ সীমান্ত অঞ্চলত ব্যাপক জনগাঁথনিৰ সলনিৰ চক্ৰান্ত চলিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বক্তব্যৰে আমাৰ অসম কাকতে বাতৰি প্ৰকাশ কৰিছে। এই একেটা বাতৰি নিয়মীয়া বাৰ্তা কাকতেও প্ৰকাশ কৰিছে।

প্ৰব্ৰজন বিৰোধী সমদলক কেন্দ্ৰ কৰি লণ্ডনৰ ৰাজপথত হোৱা সংঘাতময় পৰিৱেশ সন্দৰ্ভত দৈনিক অগ্ৰদূত বাতৰি প্ৰকাশ কৰিছে।

অসমীয়া খবৰ কাকতে দেশক নেতৃত্ব দিবলৈ অসম আগবাঢ়িছে বুলি প্ৰধানমন্ত্ৰীৰ মন্তব্যৰে বাতৰি প্ৰকাশ কৰিছে। বাতৰিটো অসমত নকৈ স্থাপন হোৱা কেইবাটাও উন্নয়নমূলক প্ৰকল্প সন্দৰ্ভত আলোকপাত কৰা হৈছে।

দা ছেণ্টিনেল কাকতে জি এছ টি সংস্কাৰৰ দ্বাৰা পুৱাৰ চাহ কাপৰ পৰা ৰাতিৰ আহাৰলৈকে নাগৰিকসকল উপকৃত হ'ব বুলি বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ মন্তব্যৰে এটা বাতৰি প্ৰকাশ কৰিছে।

নেপালত নৱপ্ৰজন্মৰ প্ৰতিবাদত মৃত্যু হোৱা লোকসকলক ছহিদ ঘোষণা কৰা হৈছে। এই বাতৰি দি আছাম ট্ৰিবিউন কাকতৰ।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

0000000

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

0000000

**সমাপ্ত**